# 2022

## ASSAMESE

Paper : ASM-HG/RC-4016

( আধুনিক অসমীয়া গীতিসাহিত্য )

( Honours Generic/Regular Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) আধুনিক অসমীয়া গীতৰ প্ৰথম সংকলনখনৰ নাম লিখা।

(খ) 'অ' মোৰ আপোনাৰ দেশ' গীতটো প্ৰথমে কোনখন আলোচনীত প্ৰকাশ হৈছিল?

(গ) 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' শীৰ্ষক পুথিখন কাৰ ৰচনা?

(ঘ) 'সুধাকণ্ঠ' বুলি অভিহিত অসমৰ গীতিকাৰ-গায়কজনৰ নাম কি ?

(ঙ) 'জেতুকী বাই' নামৰ নামতী গৰাকীৰ জীয়েকক কোনে নিয়া বুলি লিখা হৈছে ?

(চ) 'বলাকা' শব্দৰ অৰ্থ কি ?

(ছ) "আইৰে মাততে চেনেহৰ টৌ।
দেউতাৰ মাততে ____ মৌ॥"

খালী ঠাই পূৰ কৰা।

(জ) কোনজন গীতিকাৰ-সুৰকাৰৰ গীতক 'জ্যোতিসংগীত' বুলি অভিহিত কৰা হয় ?

(ঝ) 'ডেকাগিৰী' বুলি কোনজন ব্যক্তিৰ কথা বিষ্ণুপ্ৰসাদ ৰাভাৰ 'অ' অসমীয়া ডেকাদল' গীতত উল্লেখ কৰা হৈছে ?

(ঞ) 'হে দোলা' গীতটোত দোলাভাৰীসকলে কেনেকুৱা জীৱন আপোন কৰি লোৱা বুলি কোৱা হৈছে ?

(ট) 'তোমাৰ বাবেই আছো বাট চাই' গীতটোত দিনটোৰ কোনছোৱা সময়ৰ উল্লেখ আছে ?

(ঠ) 'মোৰ গানত জ্বলে শত যুগৰ কত অভিমান' গীতটোত গীতিকাৰে কাৰ 'পৰিত্ৰাণ' বিচাৰিছে ?

(ড) 'পূজোঁ আহাঁ আই মাতৃ' গীতত গীতিকবিগৰাকীৰ একমাত্ৰ 'সম্বল' কি বুলি কোৱা হৈছে ?

(ঢ) কেশৱ মহন্তৰ গীতসমূহক জনপ্ৰিয় কৰি তোলাত অনবদ্য অৱদান যোগোৱা এজন গায়কৰ নাম লিখা।

(ণ) 'হে দোলা' গীতটোত দোলাৰ ভিতৰত কিহে তিৰ্‌বিৰাই থকা বুলি কোৱা হৈছে ?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) আধুনিক অসমীয়া গীতৰ প্ৰচাৰত বিশেষ ভূমিকা লোৱা যি কোনো দুটা প্ৰযুক্তিগত মাধ্যমৰ নাম লিখা।

(খ) ভূপেন হাজৰিকাৰ গীতসমূহত ব্ৰহ্মপুত্ৰ নদী বুজাবলৈ ব্যৱহৃত আন দুটা নাম লিখা।

(গ) কোনখন অসমীয়া চলচ্চিত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাই লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা গীত ব্যৱহাৰ কৰিছিল ? এই চলচ্চিত্ৰখনে কিমান খ্ৰীষ্টাব্দত মুক্তি লাভ কৰিছিল ?

(ঘ) 'কাউৰী পৰে' গীতটোত উল্লেখ থকা পত্নীগৰাকীৰ নাম কি? গীতিকাৰে গীতটোত তেওঁক কি সম্বন্ধ বা বিশেষণেৰে উল্লেখ কৰিছে?

(ঙ) জেতুকী বাইৰ চুলি আৰু দাঁত কেনেকুৱা হোৱা বুলি গীতত কোৱা হৈছে?

(চ) বিষ্ণুপ্ৰসাদ ৰাভাই ৰচনা কৰা প্ৰেম-বিষয়ক যি কোনো দুটা গীতৰ উল্লেখ কৰা।

(ছ) 'গছে গছে পাতি দিলে ফুলৰে শৰাই' গীতটো কাৰ ৰচনা? এই গীতৰ সুৰ কোনবিধ লোকগীতৰ সুৰৰ আৰ্হিত দিয়া হৈছিল?

(জ) ভাৰতৰ স্বাধীনতা আন্দোলনত উদ্দীপনা যোগাবলৈ দেশপ্ৰেমমূলক গীত ৰচনা কৰা অসমৰ দুজন গীতিকাৰৰ নাম লিখা।

৩। উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া আধুনিক গীতি-সাহিত্যলৈ তলৰ যি কোনো এজন গীতিকাৰৰ অৱদানৰ বিষয়ে লিখা :

কেশৱ মহন্ত, নিৰ্মলপ্ৰভা বৰদলৈ, তফজ্জুল আলি, ৰুদ্ৰ বৰুৱা।

(খ) 'কাউৰী পৰে' বা 'হওঁৰা জেতুকী বাই' গীতৰ বিষয়বস্তুৰ এটি আভাস দাঙি ধৰা।

(গ) 'মাহ হালধিৰে নোৱালে ধুৱালে' গীতটিত নাৰীজীৱনৰ লগত জড়িত ভাৱানুভূতি কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) 'হেৰা আমাৰ জন্মভূমি' গীতটোৰ ভাৱবস্তুৰ এটি পৰিচয় দাঙি ধৰা।

(ঙ) গীতি-সাহিত্যৰ মূল্যায়নত সংগীত-ৰচনা আৰু পৰিবেশন বা গায়কীৰ দিশসমূহ আওকাণ কৰিব পাৰি বুলি ভাবানে? যুক্তি দৰ্শোৱা।

(চ) অসমীয়া আধুনিক গীতি-সাহিত্যৰ বিকাশত 'শোণিত কুঁৱৰী' নাটৰ গুৰুত্ব সম্পৰ্কে লিখা।

(ছ) ড০ ভূপেন হাজৰিকাৰ 'হে দোলা' গীতটোত সামাজিক বৈষম্যৰ চিত্ৰ কেনেদৰে প্ৰকাশ হৈছে?

(জ) পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া আধুনিক গীতৰ দেশপ্ৰেমমূলক গীতৰ ধাৰাটোৰ বিষয়ে আলোচনা কৰা। তোমাৰ পাঠ্য গীতৰ পৰা উদাহৰণ দিবা।

(খ) অসমীয়া আধুনিক গীতত বনঘোষা, বিহুগীত, বিয়ানাম, আইনাম আদিৰ প্ৰভাৱ দেখুৱাই চমুকৈ আলোচনা কৰা।

(গ) আধুনিক অসমীয়া গীতি-সাহিত্যত অসমৰ প্ৰকৃতিৰ চিত্ৰ কেনেদৰে প্ৰকাশ হৈছে? তোমাৰ পাঠ্য গীতৰ উদাহৰণেৰে লিখা।

(ঘ) অসমীয়া আধুনিক গীতৰ বিকাশত জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্থান নিৰ্ণয় কৰি এটি টোকা লিখা।

(ঙ) ড০ ভূপেন হাজৰিকাৰ গীতৰ ভাষা সম্পৰ্কে আলোচনা কৰা।

(চ) নৱকান্ত বৰুৱাৰ গীত সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ছ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত জাতীয় প্ৰেম আৰু গৌৰৱৰ ভাৱ কেনেদৰে প্ৰকাশ হৈছে? তোমাৰ পাঠ্য গীতটোৰ আলমত লিখা।

(জ) নৱকান্ত বৰুৱাৰ 'নিয়ৰবে ফুল এপাহ ফুলিল' গীতটোৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰা।

(ঝ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'সন্ধিয়াৰ আকাশত বগলী উৰে' গীতৰ ভাৱবস্তু আৰু কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি দেখুওৱা।

(ঞ) তোমাৰ পাঠ্য গীতসমূহৰ ভাৱবস্তু আৰু ভাষাৰ লগত শেহতীয়াভাৱে জনপ্ৰিয় হৈ পৰা গীতিকাৰসকলৰ ভাব আৰু ভাষাৰ কিবা পাৰ্থক্য অনুভৱ কৰানে? নিজৰ অভিমত যুক্তিৰে দাঙি ধৰা।

★ ★ ★